NEWZ NOW

সংখ্যা ১৫ | দেওবাৰ, ৮ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

উজনিত পুনৰ আৰম্ভ কয়লা ছিণ্ডিকেট; খাৰচাঙৰ পৰা আহিছে অবৈধ কয়লা: অখিল

মেঘালয়ৰ পৰা নাগালেণ্ডলৈ অবৈধ কয়লা সৰবৰাহ চলি থকাৰ অভিযোগ তুলি ট্ৰাক জব্দৰ দাবী জনালে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে।



NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, নিশা ৮:২৬

ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে মেঘালয়ৰ পৰা নাগালেণ্ডলৈ অবৈধ কয়লা সৰবৰাহ চলি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালকপ্ৰধানক উদ্দেশ্যি সামাজিক মাধ্যমত বাৰ্তা প্ৰেৰণ কৰি তেওঁ কয়লাবাহী ট্ৰাকসমূহ জব্দ কৰাৰ দাবী জনায়।

দীপাৱলীৰ শুভেচ্ছা জনাই গগৈয়ে কয়, নাগালেণ্ডৰ পাহাৰত চলা অবৈধ কয়লা খনন আৰু দিখৌ নৈৰ পাৰত চলা অবৈধ শিল-বালি খননেই উজনি অসমৰ নাজিৰা, শিৱসাগৰ, সোণাৰি, মাহমৰা, ডিমৌ আৰু মৰিয়...

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1352

আন্তঃৰাষ্ট্ৰীয়

ইৰাণৰ বিৰুদ্ধে অভিযান শেষ হোৱা নাইঃ ইজৰাইল



ইৰাণৰ বিৰুদ্ধে ইজৰাইলৰ সামৰিক অভিযান এতিয়াও শেষ হোৱা নাই বুলি দেওবাৰে ঘোষণা কৰিছে দেশখনৰ প্ৰতিৰক্ষামন্ত্ৰী ইজৰাইল কাট্জে।
পঢ়ক: https://newznow.in/news/1293

আন্তঃৰাষ্ট্ৰীয়

সশস্ত্ৰ মাওবাদী নিৰ্মূল হ'লেও 'আৰ্বান নক্সাল'ৰ ভাবুকি আছে : মোদী



নতুন দিল্লী, ৮ নৱেম্বৰ: বনাঞ্চলৰ পৰা সশস্ত্ৰ মাওবাদীক নিৰ্মূল কৰা হৈছে যদিও দেশত মাওবাদী ভাবুকি সম্পূৰ্ণৰূপে শেষ হোৱা নাই বুলি মন্তব্য কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।
পঢ়ক: https://newznow.in/news/1260

আন্তঃৰাষ্ট্ৰীয়

নেতান্যাহুক বিদায়! ইজৰাইলত নতুন চৰকাৰ গঠনৰ বাবে গাডি আইজেনকটক আহ্বান ৰাষ্ট্ৰপতিৰ



ইজৰাইলৰ ৰাষ্ট্ৰপতি আইজাক হাৰ্জগে ৭ নৱেম্বৰত প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ প্ৰধান প্ৰতিদ্বন্দ্বী গাডি আইজেনকটক নতুন চৰকাৰ গঠনৰ দায়িত্ব দিয়ে।
পঢ়ক: https://newznow.in/news/1297

ৰাজনীতি

কংগ্ৰেছৰ অনুদান ৭৫ শতাংশ হ্ৰাস! ২০২৫-২৬ বৰ্ষত লাভ কৰিলে মাত্ৰ ১৩০.৭ কোটি টকা



নতুন দিল্লী, ৮ নৱেম্বৰ: কংগ্ৰেছৰ ২০ হাজাৰ টকাৰ ওপৰৰ ঘোষিত অনুদান ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰায় ৭৫ শতাংশ হ্ৰাস পাই ১৩০.৬৯ কোটি টকালৈ নামিছে।
পঢ়ক: https://newznow.in/news/1281

ভিতৰৰ পাতত

অসম: গণেশগুৰিৰ GS Roadৰ নিৰ্দিষ্ট অংশ '...

ৰাজনীতি: ২০২৯ত ৰাহুল গান্ধী প্ৰধানমন্ত্ৰী হ...

অসম: হাছিনাৰ প্ৰত্যৰ্পণ লাগে বাংলাদেশক

অসম: দিখৌ দলঙত উইংগাৰৰ খুন্দা, পালছাৰ ব...

অসম

গণেশগুৰিৰ GS Roadৰ নির্দিষ্ট অংশ 'ফটকা নিষিদ্ধ এলেকা' ঘোষণা! এজাক ঘনচিৰিকাৰ সুৰক্ষাৰ বাবে বিশেষ পদক্ষেপ

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৮



গুৱাহাটী, ৮ নৱেম্বৰ, ২০২৬:

দীপাৱলীৰ আনন্দৰ মাজতে এজাক সৰু চৰাইৰ সুৰক্ষাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে অসম আৰক্ষীয়ে। গুৱাহাটী মহানগৰীৰ ব্যস্ত গণেশগুৰি অঞ্চলৰ GS Roadৰ এটা নির্দিষ্ট অংশক 'ফটকা নিষিদ্ধ এলেকা' হিচাপে ঘোষণা কৰা হৈছে। অঞ্চলটোত আশ্রয় লৈ থকা এজাক ঘনচিৰিকাৰ যাতে আতচবাজিৰ শব্দ আৰু ধোঁৱাৰ ফলত কোনো ক্ষতি নহয়, তাৰ প্রতি লক্ষ্য ৰাখি এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

অসম আৰক্ষীৰ এই বিশেষ পদক্ষেপ অনুসৰি, গণেশগুৰিৰ লুই ফিলিপ বিপণিৰ পৰা এপ'ল' হাস্পতাললৈকে GS Roadৰ নির্দিষ্ট পথছোৱা ফটকা নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1276

ৰাজনীতি

২০২৯ত ৰাহুল গান্ধী প্রধানমন্ত্রী হ'ব, লিখি দিবলৈও সাজু - অমিত শ্বাহক প্রত্যাহ্বান কে চি বেণুগোপালৰ

শ্বাহ আলম | ৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৩



নতুন দিল্লী, ৭ নৱেম্বৰ: ২০২৯ চনৰ লোকসভা নির্বাচনৰ পাছত ৰাহুল গান্ধী ভাৰতৰ প্রধানমন্ত্রী হ'ব বুলি দাবী কৰিছে কংগ্রেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ কে চি বেণুগোপালে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1277

অসম

হাছিনাৰ প্রত্যর্পণ লাগে বাংলাদেশক

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৮



ঢাকা: বাংলাদেশৰ ক্ষমতাচ্যুত প্রধানমন্ত্রী শ্বেখ হাছিনাক দ্বিপাক্ষিক চুক্তিৰ অধীনত ভাৰতৰ পৰা প্রত্যর্পণৰ আবেদন জনাইছে বাংলাদেশে। দেশখনৰ আইনমন্ত্রী এম ডি আছাদুজ্জামানে দেওবাৰে এই কথা জনায়।

ঢাকাত এখন প্রশিক্ষণ কর্মশালা উদ্বোধনৰ পাছত সাংবাদিকৰ আগত মন্ত্রীগৰাকীয়ে কয় যে, হাছিনা বাংলাদেশৰ বিচাৰাধিকৰণে দোষী সাব্যস্ত কৰা এগৰাকী অপৰাধী। হাছিনাক দেশলৈ ঘূৰাই আনিবলৈ চৰকাৰে আইনী পদক্ষেপ গ্ৰহণ কৰি আছে বুলিও তেওঁ জনায়।

"আইন অনুসৰিয়েই বিষয়টোৰ নিষ্পত্তি কৰা হ'ব, ইয়াত আৱেগৰ কোনো স্থান নাথাকিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1307

অসম

দিখৌ দলঙত উইংগাৰৰ খুন্দা, পালছাৰ বাইক ৫০ মিটাৰ চোঁচৰাই লৈ যায়

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, নিশা ৭:৫০



শিৱসাগৰ, ৮ নৱেম্বৰ: শিৱসাগৰৰ দিখৌ দলঙত এ এছ-০৪ চি চি-২৩৩৫ নম্বৰৰ এখন উইংগাৰ বাহনৰ চালকে তিনিখন বাইকত খুন্দা মৰাৰ অভিযোগ উঠিছে। ঘটনাটোত এখন পালছাৰ ২২০ বাইক প্রায় ৫০ মিটাৰ দূৰলৈ চোঁচৰাই লৈ যায় বাহনখনে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1347

অসম

উত্তৰ লখিমপুৰত যুৱ উদ্যোগীৰ মৃতদেহ উদ্ধাৰ, তদন্ত অব্যাহত

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, নিশা ৭:৪২



উত্তৰ লখিমপুৰ, শুকুৰবাৰ: উত্তৰ লখিমপুৰৰ পানীন্দ্ৰ ৰোডস্থিত ভাড়াঘৰত শুকুৰবাৰে পুৱা যুৱ উদ্যোগী তন্ময় জ্যোতি দত্ত ফুকনক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। ঘটনাক কেন্দ্ৰ কৰি পৰিয়ালৰ লোকে দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

উত্তৰ লখিমপুৰৰ ইউফ'ৰিয়া ইউনিছেক্স ছেলুনৰ স্বত্বাধিকাৰী তন্ময়ক শোৱা কোঠাৰ মজিয়াত পৰি থকা অৱস্থাত পোৱা যায়। তেওঁৰ ডিঙিত বিছনাৰ চাদৰৰ এডাল অংশ মেৰিয়াই আছিল আৰু চাদৰখনৰ আনটো মূৰ ভেণ্টিলেটৰৰ জালিত বান্ধি থোৱা আছিল বুলি জানিব পৰা গৈছে।


বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1346

অসম

বিদ্যুৎ মাচুল বৃদ্ধি প্ৰত্যাহাৰৰ দাবীত চুতীয়া যুৱ সন্মিলনৰ প্ৰতিবাদ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, নিশা ৭:০০



ঢকুৱাখনা: ৰাজ্যত পুনৰ বিদ্যুৎ মাচুল বৃদ্ধিৰ সিদ্ধান্তক জনবিৰোধী আখ্যা দি তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে চুতীয়া যুৱ সন্মিলন অসমে। সংগঠনটোৱে এই সিদ্ধান্ত তৎকালেই প্ৰত্যাহাৰ কৰাৰ দাবী জনাইছে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1344

অসম

বৰাকবাসীক লৈ বিতৰ্কিত মন্তব্যঃ আটক প্ৰাণধন হাজৰিকা

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৫



শ্ৰীভূমি: বৰাক উপত্যকাৰ বাঙালী লোকসকলক বাংলাদেশী বুলি মন্তব্য কৰাৰ অভিযোগত প্ৰাণধন হাজৰিকাক আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। এই মন্তব্যক কেন্দ্ৰ কৰি বৰাক উপত্যকাত সৃষ্টি হোৱা বিতৰ্কৰ মাজতে তেওঁৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছিল।

প্ৰাপ্ত তথ্য অনুসৰি, শ্ৰীভূমি জিলাৰ বৰগোল গাঁৱৰ বাসিন্দা প্ৰাণধন হাজৰিকাৰ বিৰুদ্ধে বৰাক উপত্যকাত এজাহাৰ দাখিল কৰা হৈছিল। ইয়াৰ পাছতে আৰক্ষীয়ে তেওঁক আটক কৰে বুলি জানিব পৰা গৈছে।

বৰাক উপত্যকাৰ বাঙালী লোকসকলক বাংলাদেশী বুলি অভিহিত কৰাৰ অভিযোগক কেন্দ্ৰ কৰিয়েই এই বিতৰ্কৰ সূত্ৰপাত হৈছিল। বিষয়টোৱে অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে সামাজিক মাধ্যমতো চৰ্চা লাভ কৰিছে।


অৱশ্যে, তেওঁৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ ধাৰা, এজাহাৰ দাখিল কৰা ব্যক্তি বা সংগঠনৰ পৰিচয় আৰু আৰক্ষীৰ আনুষ্ঠানিক বক্তব্য এই মুহূৰ্তত নিশ্চিত কৰিব পৰা হোৱা নাই।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1340

অসম

ডিমা হাছাওত শিলচৰ অভিমুখী চলন্ত ৰে'লত অগ্নিকাণ্ড

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪০



ডিমা হাছাও: শিলচৰ অভিমুখী এখন চলন্ত ৰে'লত পুৱতি নিশা অগ্নিকাণ্ড সংঘটিত হয়।

লাংটিং ষ্টেচন পাৰ হোৱাৰ কিছু সময়ৰ পাছতে ৰে'লখনত জুইৰ সূত্ৰপাত হয় বুলি জানিব পৰা গৈছে।

ৰে'লখনৰ ভিতৰত ধোঁৱা আৰু জুই দেখা পোৱাৰ পাছতে যাত্ৰীসকলৰ মাজত আতংকৰ সৃষ্টি হয়।

ঘটনাস্থলীত জৰুৰীকালীন দল আৰু ৰে'লৱে কৰ্তৃপক্ষ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1333

অসম

জনজাতীয় ভাষাৰ শিক্ষক নিযুক্তিৰ দাবী ইটছাৰ

শ্বাহ আলম | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



গুৱাহাটী, ৮ নৱেম্বৰ: ৰাভা, মিচিং, তিৱা, দেউৰী, ডিমাছা, কাৰ্বি আদি ভাষাৰ বাবে বিশেষ টেট পৰীক্ষা অনুষ্ঠিত কৰি প্ৰতিখন বিদ্যালয়ত কমেও ২ জনকৈ জনজাতীয় ভাষাৰ শিক্ষক শীঘ্ৰে নিযুক্তি দিয়াৰ দাবী জনাইছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমে।

পল্টনবজাৰস্থিত জনজাতি জিৰণী চ'ৰাত সংগঠনটোৰ সভাপতি গোবিন্দ টাইডৰ সভাপতিত্বত অনুষ্ঠিত বৰ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1324

অসম

গুৱাহাটীত কোক প্ৰতিষ্ঠানত জিএছটিৰ তালাচীৰ চতুৰ্থ দিন

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:১৯



গুৱাহাটী: ভুৱা ইনপুট টেক্স ক্ৰেডিট লোৱাৰ সন্দেহত মা কামাখ্যা কোক ইণ্ডাষ্ট্ৰিজত জিএছটি ইণ্টেলিজেন্স এণ্ড এনফৰ্চমেণ্ট ইউনিট, অসমে চলোৱা তালাচী অভিযান দেওবাৰে চতুৰ্থ দিনত প্ৰৱেশ কৰিছে।

প্ৰতিষ্ঠানখনৰ তিনিজন স্বত্বাধিকাৰীৰ ভিতৰত দুজনে বাৰে বাৰে জাননী দিয়াৰ পাছতো তদন্তত সহযোগ নকৰাৰ অভিযোগ উঠিছে। এনে স্থিতি অব্যাহত থাকিলে অনিল কুমাৰ আগৰৱাল আৰু বিমল কুমাৰ আগৰৱালক গ্ৰেপ্তাৰ কৰা হ'ব পাৰে বুলি তদন্তকাৰীয়ে ইংগিত দিছে।

বেলতলা তিনিআলিৰ পৰা কয়লা ব্যৱসায় আৰু কোক উৎপাদনৰ কাম চলোৱা প্ৰতিষ্ঠানখনৰ আমিনগাঁৱত এটা উৎপাদন গোট আছে। ভুৱা কৰদাতাৰ জৰিয়তে কেইবা কোটি টকাৰ ইনপুট টেক্স ক্ৰেডিট লোৱাৰ সন্দেহত তদন্ত চলিছে।

প্ৰাথমিক তদন্তৰ পাছত ৫ নৱেম্বৰ, বৃহস্পতিবাৰে অভিযান আৰম্ভ হৈছিল। প্ৰথম দিনাই দলটোৱে কেইবাখনো নথি আৰু ইলেক্ট্ৰনিক সঁজুলি জব্দ কৰি সেইবোৰৰ পৰীক্ষণ আৰম্ভ কৰে। অনিল কুমাৰ আগৰৱাল, বিমল কুমাৰ আগৰৱাল আৰু নৱীন কুমাৰ গুপ্তাক তদন্তত উপস্থিত হ'বলৈ তলব কৰা হৈছিল।

তালাচীৰ সময়ত তদন্তকাৰীয়ে ১০টাতকৈ অধিক জিএছটি পঞ্জীয়ন নম্বৰ লাভ কৰিছে। নৱীন সিংঘাল নামে�ৰেও পৰিচিত নৱীন কুমাৰ গুপ্তাই তদন্তত সহযোগ কৰিছে যদিও বাকী দুজন স্বত্বাধিকাৰীয়ে সহযোগ কৰা নাই বুলি অভিযোগ।


তদন্তৰ পৰিসৰ বৃদ্ধি পোৱাত জিএছটি ইণ্টেলিজেন্স দলে এনফৰ্চমেণ্ট ডাই�ৰেক্টৰেট আৰু ডাই�ৰেক্টৰেট জেনে�ৰেল অৱ জিএছটি ইণ্টেলিজেন্সৰ সহায় বিচাৰিব পাৰে। ইফালে নৱীন সিংঘালৰ মালিকানাধীন মহালক্ষ্মী কণ্টিনেণ্টেলতো জিএছটিৰ অভিযান চলি আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1319

ৰাজনীতি

লালকৃষ্ণ আদৱানীৰ ১০০সংখ্যক জন্মদিন, বিজেপিৰ বিশেষ পূজা-অর্চনা আৰু হোম

শ্বাহ আলম | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:১২



নতুন দিল্লী, দেওবাৰ: ভাৰতীয় জনতা পাৰ্টীৰ জ্যেষ্ঠ নেতা তথা দেশৰ প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী লালকৃষ্ণ আদৱানীৰ ১০০সংখ্যক জন্মদিন উপলক্ষে দেওবাৰে নতুন দিল্লীস্থিত বিজেপিৰ কেন্দ্ৰীয় কাৰ্যালয়ত বিশেষ পূজা-অর্চনা আৰু হোমৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে। নেতাসকলে আদৱানীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

ইয়াৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে সামাজিক মাধ্যমৰ জৰিয়তে আদৱানীক জন্মদিনৰ শুভেচ্ছা জনায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1313

দেশ

'নেহৰুৰ দিনতেই কংগ্ৰেছে ভোট চুৰি কৰিছিল,নহ'লে নেহৰুৰ সলনি পেটেল প্ৰধানমন্ত্ৰী হ'লহেঁতেন' - বিজুলী কলিতা মেধি

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:১০



গুৱাহাটী, ৮ নৱেম্বৰ, ২০২৬:

কংগ্ৰেছৰ বিৰুদ্ধে ভোট চুৰিৰ অভিযোগ উত্থাপন কৰি পুনৰ ৰাজনৈতিক আক্ৰমণ বিজেপিৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1315

অসম

হাতীৰ আক্ৰমণত নিহতৰ পৰিয়াললৈ ৮ লাখ টকাৰ ক্ষতিপূৰণৰ পৰিকল্পনা

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৭



গুৱাহাটী, ৮ নৱেম্বৰ: বনৰীয়া হাতীৰ আক্ৰমণত নিহত হোৱা লোকৰ পৰিয়াললৈ ৮ লাখ টকাৰ ক্ষতিপূৰণ আগবঢ়োৱাৰ পৰিকল্পনা কৰিছে অসম চৰকাৰে। দেওবাৰে এই কথা জনায় বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই।

মানুহ-হাতীৰ সংঘাত মোকাবিলা কৰা আৰু হাতীৰ আক্ৰমণত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক আৰ্থিক সহায় আগবঢ়োৱাৰ লক্ষ্যৰে এই পদক্ষেপৰ প্ৰস্তাৱ কৰা হৈছে।

হাতী-অনুকূল গছপুলি ৰোপণৰ বাবেও ইক'লজিকেল টাস্ক ফ'ৰ্চৰ জৰিয়তে ৫০ হেক্টৰ ভূমিত বৃক্ষৰোপণ কৰাৰ পৰিকল্পনা কৰিছে চৰকাৰে।

ইয়াৰ উপৰি মানুহ-হাতীৰ সংঘাত নিয়ন্ত্ৰণ তথা সংঘাতৰ আশংকা হ্ৰাস কৰিবলৈ তামুলপুৰ বনাঞ্চলত ১৪০ জন গজ মিত্ৰ মোতায়েন কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

ইফালে, ৮ নৱেম্বৰত গুৱাহাটীৰ দিছপুৰত খাদ্য আৰু অসামৰিক যোগান বিভাগ, লোকনির্মাণ বিভাগৰ ভৱন শাখা আৰু জনজাতি পৰিক্ৰমা বিভাগৰ বিশেষ স্থায়ী বিত্ত সমিতিসমূহৰ সৈতে পৃথকে পৃথকে বৈঠকত মিলিত হয় বিত্তমন্ত্ৰীগৰাকী। বৈঠকত বিত্ত বিভাগ আৰু সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল। চলিত প্ৰকল্পসমূহৰ বাবে প্ৰয়োজনীয় আৰ্থিক অনুমোদন আৰু তিনিটা বিভাগৰ ভৱিষ্যৎ অগ্ৰাধিকাৰক লৈ আলোচনা হয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1312

ৰাজনীতি

জ্ঞানেশ কুমাৰক অপসাৰণ নকৰালৈকে আন্দোলন চলিব: বেণুগোপাল

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৪



আলাপ্পুঝা, ৮ নৱেম্বৰ: মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক পদৰ পৰা অপসাৰণ নকৰালৈকে কংগ্ৰেছৰ নেতৃত্বত চলি থকা আন্দোলন অব্যাহত থাকিব বুলি ঘোষণা কৰিছে এআইচিচিৰ সাধাৰণ সম্পাদক কে. চি. বেণুগোপালে। দেশৰ নিৰ্বাচনী ব্যৱস্থা নিৰপেক্ষ, স্বচ্ছ আৰু ন্যায়সংগত নকৰালৈকে আন্দোলন প্ৰত্যাহাৰ কৰা নহ'ব বুলিও তেওঁ কয়।

দেওবাৰে আলাপ্পুঝাত সাংবাদিকৰ আগত বেণুগোপালে কয় যে, বিভিন্ন ৰাজ্য আৰু জিলাত প্ৰতিবাদী কাৰ্যসূচী চলি আছে। দীপাৱলী উৎসৱৰ সময়ত কেৱল সাময়িক বিৰতি থাকিব পাৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1268

অসম

"ৰকিবুল হুছেইনৰ গাড়ীত পাম নাই।" মুখ্যমন্ত্ৰীৰ মন্তব্য

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৫০



চামগুৰি: ৰকিবুল হুছেইনৰ দুৰ্গ চামগুৰিৰ সংখ্যালঘু অধ্যুষিত এলেকাত বিজয় উৎসৱ পাতি কংগ্ৰেছৰ সাংসদগৰাকীক লক্ষ্য কৰি মন্তব্য কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়া ৰকিবুল হুছেইনৰ ওচৰলৈ গৈ লাভ নাই।

চামগুৰিৰ উন্নয়নৰ বাবে দেৱাশীষ শৰ্মা আৰু জিতু গোস্বামীয়ে সকলো কৰিব বুলিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনায়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1275

আন্তঃৰাষ্ট্ৰীয়

ৰাষ্ট্ৰসংঘৰ প্ৰশাসন আৰু বাজেট বিষয়ক উপদেষ্টা কমিটীলৈ নিৰ্বাচিত ভাৰতীয় কূটনীতিক শিৱানী গুপ্তা

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৫:০৮



ৰাষ্ট্ৰসংঘ, ৭ নৱেম্বৰ: ভাৰতীয় কূটনীতিক শিৱানী গুপ্তা ৰাষ্ট্ৰসংঘৰ প্ৰশাসন আৰু বাজেট বিষয়ক উপদেষ্টা কমিটীলৈ নিৰ্বাচিত হৈছে। তেওঁ ২০২৭-২০২৯ৰ কাৰ্যকালত কমিটীখনৰ সদস্য হিচাপে দায়িত্ব পালন কৰিব।


বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1288

অসম

টেঙাখাত আইটিএফৰ অগ্নিকাণ্ডৰ তদন্তৰ দাবী ডিব্ৰুগড় জিলা আছুৰ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৫



দুলীয়াজানৰ টেঙাখাতৰ আইটিএফত সংঘটিত অগ্নিকাণ্ড সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ অসম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিয়ে।

ঘটনাটোৰ উচিত তদন্তৰ দাবী জনাইছে ডিব্ৰুগড় জিলা আছুৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰূপাঞ্জিত ৰাজগিৰিয়ে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1273

ৰাজনীতি

নোটবন্দীয়ে দেশৰ অৰ্থনীতি ধ্বংস কৰাৰ পাছত এতিয়া 'ভোটবন্দী'ৰ জৰিয়তে গণতন্ত্ৰ ধ্বংস কৰা হৈছে: কংগ্ৰেছ

শ্বাহ আলম | ৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৪



নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ: কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খৰ্গেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে দেশৰ দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ ভোটাধিকাৰ কাঢ়ি নিয়াৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপন কৰিছে।

মঙলবাৰে নতুন দিল্লীত অনুষ্ঠিত কংগ্ৰেছৰ কৰ্মসমিতিৰ বৈঠকত ভাষণ দি খৰ্গেই কয় যে, নোটবন্দীয়ে দেশৰ অৰ্থনীতি ধ্বংস কৰাৰ পাছত এতিয়া 'ভোটবন্দী'ৰ জৰিয়তে গণতন্ত্ৰ ধ্বংস কৰা হৈছে।

"ইতিহাসে সাক্ষ্য দিয়ে যে দহ বছৰ পূৰ্বে এইগৰাকী প্ৰধানমন্ত্ৰীয়ে নোটবন্দীৰ সিদ্ধান্তৰে ভাৰতৰ অৰ্থনীতি ধ্বংস কৰিছিল। আৰু এতিয়া দহ বছৰৰ পাছত ভোটবন্দীৰ ষড়যন্ত্ৰৰে আমাৰ শক্তিশালী গণতন্ত্ৰ ধ্বংস কৰিছে।"

ভোট দৰিদ্ৰ, দলিত, বঞ্চিত আৰু শোষিত লোকসকলৰ আটাইতকৈ শক্তিশালী অধিকাৰ বুলি উল্লেখ কৰি কংগ্ৰেছ সভাপতিগৰাকীয়ে এই অধিকাৰ খৰ্ব কৰাৰ চেষ্টা চলোৱা হৈছে বুলি অভিযোগ কৰে।

ভোটাৰ তালিকাৰ বিশেষ সংশোধনক লৈ নিৰ্বাচন আয়োগৰ বিৰুদ্ধেও সৰৱ হয় খৰ্গে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক মোদী চৰকাৰৰ 'কাঠপুতলা' বুলি অভিহিত কৰি তেওঁ পদত্যাগৰ দাবী জনায়।

ষড়যন্ত্ৰৰ জৰিয়তে ভোটাৰ তালিকাৰ পৰা বহু লোকৰ নাম কৰ্তন কৰা হৈছে বুলি অভিযোগ কৰি খৰ্গেই ভোটাৰ তালিকাত হোৱা বৃহৎ পৰিৱৰ্তনৰ তথ্য ৰাজহুৱা কৰাৰ দাবী তোলে। নাম কৰ্তন হোৱা লোকসকলক অৱগত কৰা আৰু তেওঁলোকক আপীলৰ সুযোগ দিয়াৰ দাবীও জনায় তেওঁ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1264

দেশ

গাজিয়াবাদৰ আৰক্ষী চকীত বিস্ফোৰণ! TMHৰ নামত X-ত দায় স্বীকাৰ!

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৮



গাজিয়াবাদ, ৮ নৱেম্বৰ: উত্তৰ প্ৰদেশৰ গাজিয়াবাদৰ বসুন্ধৰা আৰক্ষী চকীৰ পিছফালে ৬ নৱেম্বৰৰ নিশা সংঘটিত বিস্ফোৰণসদৃশ ঘটনাত এজন ২০ বছৰীয়া ডেলিভাৰী কৰ্মী আহত হৈছে। ঘটনাটোত আৰক্ষী চকীটোৰ দুখন খিৰিকীৰ কাঁচ ভাঙি যোৱাৰ লগতে দেৱালত ফাট মেলিছে।

ইন্দিৰাপুৰম থানা এলেকাৰ আৰক্ষী চকীটোত নিশা প্ৰায় ৯ বজাত ঘটনাটো সংঘটিত হয়। সেই সময়ত এজন উপ-পৰিদৰ্শক আৰু খাদ্য যোগান দিবলৈ অহা এজন ডেলিভাৰী কৰ্মী তাত উপস্থিত আছিল। ভগা কাঁচৰ টুকুৰা লাগি কৰ্মীগৰাকীৰ মূৰত আঘাত লাগে আৰু তেওঁক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আৰক্ষীৰ কোনো লোক আহত হোৱা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1255

অসম

কালীপূজা-দীপাৱলীৰ শুভেচ্ছা জনাবলৈ লোকভৱনত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৮



গুৱাহাটী, ৮ নৱেম্বৰ, ২০২৬:

কালীপূজা আৰু দীপাৱলীৰ পৱিত্ৰ উপলক্ষে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক শুভেচ্ছা জ্ঞাপন কৰিবলৈ লোকভৱনত উপস্থিত হয় মন্ত্ৰী জয়ন্ত মল্লবৰুৱা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1251

অসম

ভাওৰীয়াৰ ৰূপত হোজাইৰ বিধায়ক শিলাদিত্য দেৱ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৫



এক ব্যতিক্রমী ৰূপত ৰাইজৰ মাজত দেখা গ'ল শিলাদিত্য দেৱক।ৰাজনৈতিক মঞ্চৰ পৰিৱর্তে এইবাৰ নামঘৰৰ ভাওনাৰ মঞ্চত শ্রীকৃষ্ণৰ ৰূপত অৱতীর্ণ হ'ল হোজাইৰ বিধায়ক শিলাদিত্য দেৱ।

হোজাইৰ নাথ গাঁৱৰ নামঘৰত অনুষ্ঠিত উদয় শংকৰ ভাওনাত শ্রীকৃষ্ণৰ চৰিত্রত অভিনয় কৰে বিধায়কগৰাকীয়ে।।পৰম্পৰাগত সাজ-পোছাক, শ্রীকৃষ্ণৰ বেশভূষা আৰু অভিনয়েৰে ভাওনাৰ মঞ্চত এক বিশেষ মাত্রা প্রদান কৰে শিলাদিত্য দেৱে।।বিধায়কগৰাকীৰ এই ব্যতিক্রমী ৰূপ প্রত্যক্ষ কৰিবলৈ নামঘৰত সমবেত হয় বহু লোক।

ৰাজনীতিৰ ব্যস্ততাৰ মাজতো অসমৰ সত্রীয়া সংস্কৃতি, ধর্মীয় পৰম্পৰা আৰু ভাওনাৰ সৈতে এনেদৰে জড়িত হোৱা...

বাকী অংশ ৰেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/1248

অসম

টেঙাখাটৰ অইল বিস্ফোৰণত মৃতকৰ সংখ্যা চাৰিলৈ বৃদ্ধি

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৯



ডিব্রুগড়, ৮ নৱেম্বৰ: ডিব্রুগড় জিলাৰ টেঙাখাটস্থিত অইল ইণ্ডিয়া লিমিটেডৰ ইণ্টাৰমিডিয়েট টেংক ফার্মত সংঘটিত বিস্ফোৰণ আৰু অগ্নিকাণ্ডত মৃতৰ সংখ্যা চাৰিজনলৈ বৃদ্ধি পাইছে।

বাকী অংশ ৰেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/1233

অসম

আতচবাজীৰ ক্ষেত্রত কঠোৰ নিয়মৰ মাজতে শিলচৰত কালীপূজা-দীপাৱলীৰ প্রস্তুতি

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৪



শিলচৰ, ৮ নৱেম্বৰ: কালীপূজা আৰু দীপাৱলী উপলক্ষে শিলচৰকে ধৰি কাছাৰ জিলাৰ বিভিন্ন প্রান্তত উৎসৱৰ প্রস্তুতি তুংগত উঠিছে। চহৰখনৰ বজাৰসমূহত ক্রেতাৰ সমাগম বৃদ্ধি পোৱাৰ লগতে কেইবাঠাইতো অস্থায়ী আতচবাজীৰ দোকান গঢ়ি উঠিছে।

ফটাক বজাৰ, গোপালগঞ্জ, জানিগঞ্জ, হাস্পতাল ৰোড, তাৰাপুৰ আৰু মেহেৰপুৰত বেচা-কিনাৰ তৎপৰতা বৃদ্ধি পাইছে। মাটিৰ চাকি, সজোৱা লাইট, পূজাৰ সামগ্রী আৰু আতচবাজী কিনিবলৈ লোকসকল বজাৰলৈ ওলাই আহিছে। শিশু থকা পৰিয়ালসমূহেও ফুলঝুৰি, চৰকী, ৰকেট আৰু স্পার্কলাৰ আদি কিনিবলৈ দোকানসমূহলৈ ভিৰ কৰিছে।

ইফালে, কাটিগড়াত ভগৱান গণেশৰ স্থাপত্যৰ আর্হিত নির্মাণ কৰা বিশেষ কালীপূজাৰ পেণ্ডেল এইবাৰৰ অন্যতম আকর্ষণ। শনিবাৰে ৰামকৃষ্ণ মিছন সেৱাশ্রম, শিলচৰৰ সম্পাদক স্বামী গণধীশানন্দই পেণ্ডেলটো উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ কানাড পুৰকায়স্থ আৰু সুস্মিতা দেৱ, শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্য আৰু কাটিগড়াৰ বিধায়ক কমলাক্ষ দে পুৰকায়স্থ উপস্থিত আছিল।

উৎসৱৰ মাজতে অসম প্রদূষণ নিয়ন্ত্রণ পৰিষদে আতচবাজী বিক্রী আৰু ব্যৱহাৰৰ ক্ষেত্রত পৰিৱেশ সুৰক্ষাসম্পর্কীয় নিয়ম কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। পৰিষদৰ শিলচৰ আঞ্চলিক কার্যালয়ৰ মতে, কেৱল অনুমোদিত সেউজীয়া আতচবাজীহে বিক্রী আৰু ব্যৱহাৰ কৰিব পাৰিব। দীপাৱলীৰ নিশা ৮ বজাৰ পৰা ১০ বজালৈকেহে আতচবাজী ফুটোৱাৰ অনুমতি থাকিব।

বাকী অংশ ৰেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/1253

দেশ

দীপিকাৰ গেৰুৱা সাজক লৈ 'KING' ছবিৰ বিতর্ক! শ্বাহৰুখ খানক 'জেহাদী' আখ্যা বিজেপি বিধায়ক ৰবি নেগীৰ

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২১



নতুন দিল্লী, ৮ নৱেম্বৰ, ২০২৬:

শ্বাহৰুখ খানৰ আহিবলগীয়া ছবি 'KING'ক লৈ নতুন বিতর্ক । ছবিখনৰ 'Tu Mil Jaaye' শীর্ষক গীতৰ এটা দৃশ্যত অভিনেত্রী দীপিকা পাডুকনে গেৰুৱা ৰঙৰ সাজ পৰিধান কৰাক লৈ আপত্তি প্রকাশ কৰিছে দিল্লীৰ বিজেপি বিধায়ক ৰবি নেগীয়ে। কেৱল সেয়াই নহয়, অভিনেতা শ্বাহৰুখ খানক 'জেহাদী' বুলিও অভিহিত কৰিছে বিধায়কগৰাকীয়ে। গীতটোৰ পৰা সংশ্লিষ্ট দৃশ্যটো আঁতৰাই নিদিলে সমগ্র দেশতে প্রতিবাদ আৰু ছবিখন বয়কট কৰাৰ হুংকাৰ দিছে বিজেপি বিধায়ক ৰবি নেগীয়ে ।

দিল্লীৰ পটপৰগঞ্জ সমষ্টিৰ বিজেপি বিধায়ক ৰবীন্দ্র সিং নেগী, যি ৰবি নেগী নামেৰে পৰিচিত, 'Tu Mil Jaaye' গীতটোৰ এটা দৃশ্যক লৈ অসন্তুষ্টি প্রকাশ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা এক সাক্ষাৎকাৰত তেওঁ শ্বাহৰুখ খানক সকীয়নি দি কয় যে গীতটোৰ পৰা গেৰুৱা সাজ পৰিধান কৰা দৃশ্যটো আঁতৰাব লাগে।

নেগীৰ বক্তব্য অনুসৰি, দৃশ্যটো সলনি নকৰিলে সমগ্র দেশতে প্রতিবাদ সাব্যস্ত কৰা হ'ব। 'সনাতন ধর্মৰ বিৰুদ্ধে কোনো কথাই সহ্য কৰা নহ'ব' বুলিও মন্তব্য কৰে তেওঁ।

সাক্ষাৎকাৰত বিধায়কগৰাকীয়ে শ্বাহৰুখ খানক উদ্দেশ্যি সাম্প্রদায়িকভাৱে আপত্তিজনক মন্তব্য কৰে। তেওঁ অভিনেতাগৰাকীক 'জেহাদী' বুলি অভিহিত কৰি অভিযোগ কৰে যে ভাৰততে উপার্জন কৰাৰ পাছতো দেশৰ ভাবমূর্তি ক্ষুণ্ণ কৰাৰ কাম কৰা হৈছে।

বিজেপি বিধায়কগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে শ্বাহৰুখ খানে গীতটোৰ পৰা গেৰুৱা সাজৰ দৃশ্যটো আঁতৰাই নিদিলে ছবিখনৰ বিৰুদ্ধে দেশজুৰি বয়কটৰ আহ্বান জনোৱা হ'ব...


বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/1244

অসম

কোকৰাঝাৰৰ তিতাগুৰিত কালী পূজাৰ আয়োজন

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৯



কোকৰাঝাৰ: কোকৰাঝাৰৰ তিতাগুৰিত কালী পূজাৰ আয়োজন কৰা হৈছে।

পূজাৰ লগত সংগতি ৰাখি পাঁচদিনীয়াকৈ বিভিন্ন কার্যসূচী অনুষ্ঠিত হ'ব।

কার্যসূচীত পৰম্পৰাগত খেল-ধেমালিৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মহিলাসকলৰ নৃত্য প্রতিযোগিতাও অনুষ্ঠিত হ'ব।


বিধায়ক শিউলি মহিলাৰীয়ে ফিতা কাটি অনুষ্ঠানৰ উদ্বোধন কৰে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/1243

অসম

জুবিন ক্ষেত্রৰ সমীপত বন্ধুৰ চুৰিকাঘাত

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৭



জুবিন ক্ষেত্রৰ সমীপত সংঘটিত এক চাঞ্চল্যকৰ ঘটনাত বন্ধুৰ চুৰিকাঘাতত এজন যুৱক গুৰুতৰভাৱে আহত হৈছে।

আহত যুৱকজন শিৱসাগৰৰ ভাস্কৰজ্যোতি চাবুকধৰা।

পাটী কৰি থকা মাজতে এই ঘটনা সংঘটিত হয়। ঘটনাটো সংঘটিত কৰা যুৱকজন মৰিগাঁৱৰ ৰাজু মেধি বুলি জানিব পৰা গৈছে।

ঘটনাৰ সন্দর্ভত সোণাপুৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/1239

অসম

দীপাৱলীৰ পাছত পুৱা ৩ বজাৰ পৰা জিএমচিৰ বিশেষ চাফাই অভিযান

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৬



গুৱাহাটী, ৮ নৱেম্বৰ: দীপাৱলীৰ পাছত নগৰখনত পৰি থকা কলগছ, ফটকাৰ আৱর্জনা আৰু অন্যান্য জাবৰ আঁতৰাবলৈ পুৱা প্ৰায় ৩ বজাৰ পৰা বিশেষ চাফা অভিযান আৰম্ভ কৰিব গুৱাহাটী পৌৰ নিগমে। এই অভিযানত ৩ হাজাৰৰো অধিক পৰিচ্ছন্নতা কর্মীক নিয়োগ কৰা হ'ব।

স্বচ্ছ কর্মী আৰু স্বচ্ছ সখীসকলে দীপাৱলীৰ পিছদিনা পুৱতি নিশাৰ পৰাই কাম আৰম্ভ কৰিব। পথ, বজাৰ আৰু আৱাসিক অঞ্চলসমূহ পৰিষ্কাৰ কৰাৰ লক্ষ্যৰে এই ব্যৱস্থা লোৱা হৈছে।

গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়াই জনায় যে, পুৱা ৩ বজাৰ পৰা অভিযান চলোৱা হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1231

ৰাজনীতি

চামগুৰিত কাৰ গাখীৰ খালে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই?

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৫



নগাঁও, ৮ নৱেম্বৰঃ নির্বাচনী প্রচাৰৰ সময়ত দিয়া প্রতিশ্রুতি পূৰণ কৰি দেওবাৰে নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এক বিশাল বিজয় উৎসৱত অংশগ্রহণ কৰে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই।

নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনৰ প্রচাৰৰ সময়ত মুখ্যমন্ত্রীয়ে প্রতিশ্রুতি দিছিল যে এনডিএৰ প্রার্থী দেৱাশিস শর্মা বিজয়ী হ'লে তেওঁ নিজে ৰূপহীহাটলৈ আহি ৰাইজৰ সৈতে বিজয় উদ্‌যাপন কৰিব।

সেই প্রতিশ্রুতি অনুসৰিয়েই মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা হেলিকপ্টাৰেৰে ৰূপহীহাটৰ ফখলি ঈদগাহত উপস্থিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1219

স্বাস্থ্য

চিকিৎসালয়লৈ যোৱাৰ পূর্বে জানি লওঁক স্বাস্থ্যমন্ত্রীৰ এই সকীয়নি; অন্যথা পৰিব পাৰে বিপদত

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫১



গুৱাহাটী, ৮ নৱেম্বৰঃ চিকিৎসালয়ৰ নিয়ম আৰু চিকিৎসকৰ নির্দেশ অমান্য কৰিলে চিকিৎসা মহাবিদ্যালয়ত ৰোগীৰ চিকিৎসা বন্ধ হ'ব পাৰে বুলি সকীয়নি দিছে অসমৰ স্বাস্থ্যমন্ত্রী অশোক সিংঘালে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1225

অসম

বৈদ্যুতিক ইঞ্জিনেৰে আগৰতলালৈ তেজছ ৰাজধানী এক্সপ্রেছ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৪



আগৰতলা, ৮ নৱেম্বৰ: ত্রিপুৰাৰ ৰে'ল যোগাযোগত নতুন অধ্যায়ৰ সূচনা কৰি নতুন দিল্লী-আগৰতলা পথত প্রথমবাৰৰ বাবে বৈদ্যুতিক ইঞ্জিনেৰে তেজছ ৰাজধানী এক্সপ্রেছ চলাচল কৰিছে। ইয়াৰ পূর্বে ৰে'লখন ডিজেল ইঞ্জিনেৰে চলিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1210

অসম

'ৰামায়ণ'ৰ ভিজুৱেল ইফেক্টৰ আঁৰত অসম বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সুদীপ্ত নাথ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০১



৫ নৱেম্বৰত মুক্তি পোৱা নমিত মালহোত্ৰাৰ 'ৰামায়ণ' ছবিখনৰ দৃশ্য-প্ৰভাৱৰ কামত বৰাক উপত্যকাৰ সুদীপ্ত নাথেও উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ৰণবীৰ কাপুৰ আৰু সাই পল্লৱী অভিনীত ছবিখনত অত্যাধুনিক প্ৰযুক্তিৰ সহায়ত ভাৰতীয় মহাকাব্যখন পৰ্দালৈ অনা হৈছে।

কাছাৰ জিলাৰ বৰখোলাৰ জাৰাইলটোলা গাঁৱৰ বাসিন্দা তথা অসম বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সুদীপ্ত নাথ বৰ্তমান বেংগালুৰুৰ দৃশ্য-প্ৰভাৱ সংস্থা ডিনেগৰ টেক্সচাৰিং লীড হিচাপে কৰ্মৰত।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1207

অসম

তেজপুৰত সযতনে সংৰক্ষিত 'জয়মতী'ৰ দুৰ্লভ গ্ৰামোফোন ৰেকৰ্ড

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৯



তেজপুৰ: ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই যুটীয়াভাৱে পৰিচালনা কৰা বিখ্যাত 'সেনোলা ৰেকৰ্ড'ৰ প্ৰথমখন নাটক 'জয়মতী'ৰ কেইবাখনো দুৰ্লভ গ্ৰামোফোন ৰেকৰ্ড আজিও সযতনে সংৰক্ষণ কৰি ৰাখিছে তেজপুৰৰ শিল্পী প্ৰাঞ্জল বৰুৱাই।

বৰুৱাই মাতৃৰ সূত্ৰে এই কালজয়ী সম্পদসমূহ লাভ কৰিছিল। তেওঁৰ ককাক ব্ৰিটিছ শাসনকালত বিহালীৰ এজন সাংস্কৃতিক মনৰ মৌজাদাৰ বেণুধৰ দত্ত আছিল।

বৰুৱাৰ সংগ্ৰহত 'জয়মতী'ৰ উপৰি 'পাপৰি কবি' গণেশ চন্দ্ৰ গগৈ প্ৰযোজিত নাটক 'লাচিত'ৰ গ্ৰামোফোন ৰেকৰ্ডো আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1202

অসম

১২ নৱেম্বৰত অসমৰ পেট্ৰল ডিলাৰৰ ২৪ ঘণ্টীয়া ক্ৰয়-বিক্ৰী বন্ধ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫০



অসমৰ পেট্ৰল ডিলাৰসকলে তেল বিপণন কোম্পানীসমূহৰ কথিত স্বেচ্ছাচাৰী সিদ্ধান্ত আৰু হাৰাশাস্তিৰ প্ৰতিবাদত ১২ নৱেম্বৰত ২৪ ঘণ্টাৰ বাবে ইন্ধন ক্ৰয় আৰু বিক্ৰী বন্ধ ৰাখিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1198

অসম

নগাঁৱত শিক্ষাৰ্থীসকলৰ সৈতে বিজ্ঞানী ড° অংগশুমান নাগৰ মত বিনিময়

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩২



নগাঁও: নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰামানুজন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান, পুনেৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক তথা ডেপুটি চেয়াৰ ড° অংগশুমান নাগে শিক্ষাৰ্থীসকলৰ সৈতে...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1196

অসম

নিউ জলুকপাহামত মেঘালয়ৰ নিম্ন প্ৰাথমিক বিদ্যালয় স্থাপন

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩১



পলাশবাৰী, ৮ নৱেম্বৰ: পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত অসম-মেঘালয় আন্তঃৰাজ্যিক সীমান্তৱৰ্তী নিউ জলুকপাহাম গাঁৱত মেঘালয়ে এখন নিম্ন প্ৰাথমিক বিদ্যালয় নিৰ্মাণ কৰি উদ্বোধন কৰাক লৈ স্থানীয় লোকৰ মাজত উদ্বেগ সৃষ্টি হৈছে। অসমৰ ভূখণ্ডৰ অন্তৰ্গত বুলি দাবী কৰা ভূমিত বিদ্যালয়খন নিৰ্মাণ কৰা হৈছে বুলি জানিব পৰা গৈছে।


স্থানীয় সূত্ৰৰ মতে, ছমাহৰ ভিতৰতে বিদ্যালয়খনৰ নিৰ্মাণ সম্পূৰ্ণ কৰি উদ্বোধন কৰা হয়। পাহাৰীয়া আৰু দুৰ্গম অঞ্চলটোৰ শিশুসকলক সহজলভ্য শিক্ষা প্ৰদানৰ উদ্দেশ্যে শ্বিলং মিছনেৰীৰ উদ্যোগত বিদ্যালয়খন স্থাপন কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1194

অসম

নাজিৰাত ৰহস্যজনক অৱস্থাত আৰক্ষী জোৱানৰ গুলীবিদ্ধ মৃতদেহ উদ্ধাৰ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৮



নাজিৰা, ৮ নৱেম্বৰ: নাজিৰা নগৰৰ মাজমজিয়াত অৱস্থিত নাজিৰা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত ৰহস্যজনক অৱস্থাত এজন আৰক্ষী জোৱানৰ গুলীবিদ্ধ মৃতদেহ উদ্ধাৰ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1188

দেশ

৪,০০০ কোটি টকীয়া বলীউডৰ বিগ বাজেটৰ ছবি 'ৰামায়ণ'ত ৰাম-লক্ষ্মণৰ কৱচসদৃশ সাজ নিৰ্মাণত অসমৰ শিল্পীৰ হাতৰ পৰশ!

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৭



বলীউডৰ বৃহৎ বাজেটৰ ছবি 'ৰামায়ণ'ত উজলিল অসমৰ পৰম্পৰাগত কাৰুশিল্প আৰু থলুৱা শিল্পীৰ প্ৰতিভা। নীতেশ তিৱাৰীৰ পৰিচালনাত নিৰ্মিত ছবিখনত প্ৰভু শ্ৰীৰাম আৰু লক্ষ্মণৰ বাবে প্ৰস্তুত কৰা কৱচসদৃশ সাজ নিৰ্মাণৰ সৈতে জড়িত হৈ পৰিছে অসমৰ শিল্পীসকল। স্থানীয়ভাৱে উপলব্ধ সৰপত বেত, মৰাপাট আৰু কাঠ ব্যৱহাৰ কৰি নিৰ্মাণ কৰা এই বিশেষ সাজে ছবিখনৰ সাজসজ্জাত সংযোজন কৰিছে থলুৱা কাৰুশিল্পৰ অনন্য পৰিচয়।


ছবিখনৰ কষ্টিউম ডিজাইনাৰ অজয় কুমাৰে নিজৰ দলৰ সৈতে অসমলৈ আহি এই বিশেষ কৱচসদৃশ সাজৰ নিৰ্মাণ প্ৰক্ৰিয়া তদাৰক কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1186

অসম

দুলীয়াজানত চিকিৎসকক ধনদাবী, ৰঙাঘৰৰ আলহী পাঁচজন

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১১



দুলীয়াজান, ৮ নৱেম্বৰ: দুলীয়াজানৰ বকুলনীৰ নীপকো প্ৰকল্পৰ চিকিৎসালয়ৰ চিকিৎসক ডাঃ ডিপোল চন্দ্ৰ হালৈৰ পৰা ধনদাবী কৰাৰ অভিযোগত পাঁচজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1185

অসম

দৰঙত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত ক্ষতিগ্ৰস্ত ৩০০ লোক, শংকাত ১০০ পৰিয়াল

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৮



মঙলদৈ, ৮ নৱেম্বৰ: দৰং জিলাৰ মঙলদৈ আৰু ছিপাঝাৰ ৰাজহ চক্ৰৰ কেইবাখনো গাঁৱত ব্ৰহ্মপুত্ৰৰ তীব্ৰ গৰাখহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। মঙলদৈ ৰাজহ চক্ৰৰ ৰঙামাটি মৌজাৰ অপৰিয়া, বৰলা খৈতী আৰু ভোকেলিকান্দা গাঁও সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে।


স্থানীয় লোকসকলে জনোৱা মতে, অপৰিয়া গাঁৱৰ প্ৰায় সমগ্ৰ অংশ নদীগৰ্ভত জাহ গৈছে। অপৰিয়া এল পি স্কুল, ১ নং পশ্চিম অপৰিয়া এল পি স্কুল, ২ নং পশ্চিম অপৰিয়া এল পি স্কুল আৰু অপৰিয়া স্বাস্থ্য উপ-কেন্দ্ৰও নদীগৰ্ভত বিলীন হৈছে। কেইবাডজন পৰিয়ালে নিৰাপদ স্থানৰ সন্ধানত অঞ্চলটো এৰি গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1183

অসম

অসম সাহিত্য সভাৰ নিৰ্বাচন: শীৰ্ষ পদৰ মনোনয়ন-পত্ৰ সংগ্ৰহ আৰম্ভ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৪



গুৱাহাটী: অসম সাহিত্য সভাৰ ২০২৭-২৯ কাৰ্যকালৰ উপ-সভাপতি আৰু সাধাৰণ সম্পাদক পদৰ নিৰ্বাচনক কেন্দ্ৰ কৰি মনোনয়ন-পত্ৰ সংগ্ৰহ আৰম্ভ হৈছে। নিৰ্বাচনী জাননী জাৰি হোৱাৰ পাছতে সভাৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত আগ্ৰহী প্ৰাৰ্থীসকলৰ ব্যস্ততা বৃদ্ধি পাইছে।

উপ-সভাপতি পদৰ বাবে ডঃ বিপিন চন্দ্ৰ কলিতা আৰু যাদৱ চন্দ্ৰ শৰ্মাই মনোনয়ন-পত্ৰ সংগ্ৰহ কৰিছে।

আনহাতে, সাধাৰণ সম্পাদক পদৰ বাবে নয়নমণি চৌধুৰী, ডঃ সঞ্জীৱ কুমাৰ শৰ্মা আৰু ডঃ ছাহিৰ ভূঞাই মনোনয়ন-পত্ৰ সংগ্ৰহ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1181

অসম

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক হত্যাৰ ভাবুকিৰ অভিযোগত তামিলনাড়ুত লখিমপুৰৰ যুৱক গ্ৰেপ্তাৰ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৭



গুৱাহাটী: সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক হত্যাৰ ভাবুকি দিয়াৰ অভিযোগত লখিমপুৰ জিলাৰ ঘিলামৰাৰ বাসিন্দা জুন দাস নামৰ এজন যুৱকক তামিলনাড়ুৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1139

শিক্ষা

১৪ নৱেম্বৰৰ পৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ! ৪ লাখ টকা পৰ্যন্ত বাৰ্ষিক আয়ৰ পৰিয়ালৰ শিক্ষাৰ্থীৰ বাবে মাচুল ৰেহাই

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৯



গুৱাহাটী, ৮ নৱেম্বৰ, ২০২৬:


উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা, ২০২৭ৰ বাবে সাজু হৈছে ৰাজ্যৰ শিক্ষাৰ্থীসকল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1175

অসম

অসমত ২৪০টা ক'লা কোমল খোলৰ কাছৰ পোৱালি মুকলি

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৭



গুৱাহাটী, ৮ নৱেম্বৰ: এসময়ত বন্যপ্রকৃতিত বিলুপ্ত বুলি ঘোষণা কৰা ক'লা কোমল খোলৰ কাছৰ ২৪০টা পোৱালি বিশ্বনাথ বন্যপ্রাণী সংমণ্ডলৰ অধীনৰ এক সংৰক্ষিত জলাশয়ত মুকলি কৰি দিয়া হৈছে।

স্থানীয়ভাৱে বৰমুৰীয়া কাছো নামেৰে পৰিচিত এই প্রজাতিটোৰ বৈজ্ঞানিক নাম নিলছ'নিয়া নিগ্রিকানছ। প্রজাতিটো এতিয়াও অতি সংকটাপন্ন তালিকাত আছে। অৱশ্যে, ২০০০ৰ দশকৰ আৰম্ভণিতে বন্যপ্রকৃতিত বিলুপ্ত বুলি বিবেচিত হোৱাৰ পাছত ধাৰাবাহিক সংৰক্ষণ প্রচেষ্টাই ব্রহ্মপুত্র-কাজিৰঙা অঞ্চলত ইয়াৰ এক স্থিতিশীল জনসংখ্যা গঢ়ি তোলাত সহায় কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1143

অসম

তামুলপুৰত খেল মহাৰণ ৩.০ৰ ভিচিডিচি পর্যায়ৰ প্রতিযোগিতা উদ্বোধন

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৯



তামুলপুৰ: ৰাজ্য চৰকাৰৰ মন্ত্রী জয়ন্ত মল্লবৰুৱাই শনিবাৰে বড়োলেণ্ড টেৰিট'ৰিয়েল অঞ্চলৰ তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত খেল মহাৰণ ৩.০ৰ গ্রাম পৰিষদ উন্নয়ন সমিতি চমুকৈ ভিচিডিচি পর্যায়ৰ প্রতিযোগিতা উদ্বোধন কৰে।

ক্রীড়া আৰু যুৱ কল্যাণ বিভাগে আয়োজন কৰা এই প্রতিযোগিতাৰ জৰিয়তে গ্রাম্য আৰু দুর্গম অঞ্চলসমূহৰ ক্রীড়া প্রতিভা চিনাক্ত কৰাৰ লগতে যুৱক-যুৱতীসকলৰ অংশগ্রহণ বৃদ্ধি কৰাত গুৰুত্ব দিয়া হৈছে।


মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ নির্দেশনাত আৰম্ভ হোৱা এই পদক্ষেপৰ লক্ষ্য হৈছে তৃণমূল পর্যায়ত ক্রীড়া সংস্কৃতি শক্তিশালী কৰা আৰু উদীয়...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1151

অসম

দীপাৱলী-কালীপূজাক লৈ ধুবুৰীত আৰক্ষীৰ বিশেষ নির্দেশনা

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৯



ধুবুৰী, ৭ নৱেম্বৰ: কালীপূজা আৰু দীপাৱলী উপলক্ষে জনসাধাৰণৰ সুৰক্ষা, যান-বাহনৰ চলাচল নিয়ন্ত্রণ আৰু শব্দ প্রদূষণ ৰোধৰ লক্ষ্যৰে ধুবুৰী জিলা আৰক্ষীয়ে কেইবাটাও নিষেধাজ্ঞা জাৰি কৰিছে। ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক দেৱাশীষ বৰাই এই নির্দেশনা জাৰি কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1169

অসম

তিনিচুকীয়াৰ ঢলা নদীৰ পৰা নিখোজ ব্যক্তিৰ মৃতদেহ উদ্ধাৰ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৫




ডুমডুমা: তিনিচুকীয়া জিলাৰ ঢলা নদীৰ পৰা শনিবাৰে ৪ নৱেম্বৰৰ পৰা নিখোজ হৈ থকা ৫৫ বছৰীয়া এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। মৃত লোকজনক ঢলাৰ অধীনৰ ন'-বৰমূৰা গাঁৱৰ টুনা মুৰা বুলি চিনাক্ত কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1135

অসম

উত্তৰ ডবকা পথাৰ প্ৰাথমিক বিদ্যালয়ত মধ্যাহ্ন ভোজনত অনিয়মৰ অভিযোগ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৩



ডবকা: হোজাই জিলাৰ উত্তৰ ডবকা পথাৰ প্ৰাথমিক বিদ্যালয়ত মধ্যাহ্ন ভোজন আঁচনিত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপন হৈছে। বিদ্যালয়খনৰ ২০৬ গৰাকী শিক্ষার্থীৰ নামত আবণ্টিত খাদ্য সামগ্ৰী যোগান আৰু বিতৰণক লৈ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মঃ গিয়াছ উদ্দিনৰ বিৰুদ্ধে এই অভিযোগ তুলিছে বিদ্যালয়খনৰ ৰান্ধনীসকলৰ লগতে স্থানীয় সচেতন ৰাইজে।

অভিযোগ অনুসৰি, প্ৰধান শিক্ষকগৰাকীয়ে দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা বিদ্যালয়খনত মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত ব্যাপক অনিয়ম সংঘটিত হৈ আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1147

অসম

আইবিবিআইৰ পৰীক্ষাত ৯১ শতাংশ নম্বৰ লাভ কুৰাণীবড়ীৰ ৰাছিম আক্ৰামৰ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩২



মৰিগাঁও জিলাৰ মায়ঙৰ কুৰাণীবড়ী গাঁৱৰ বাসিন্দা ৰাছিম আক্ৰামে ইনছুলভেন্সি এণ্ড বেংকৰাপ্টচি ব'ৰ্ড অৱ ইণ্ডিয়া, চমুকৈ আইবিবিআইৰ পঞ্জীয়নভুক্ত মূল্য নিৰ্ধাৰক পৰীক্ষাত ৯১ শতাংশ নম্বৰ লাভ কৰিছে। ভূমি আৰু অট্টালিকা শাখাত সৰ্বাধিক নম্বৰ লাভ কৰাৰ বাবে তেওঁক ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1149

অসম

দীপাৱলীৰ পিছদিনা কামৰূপ মহানগৰ জিলাত স্থানীয় বন্ধ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৯



দীপাৱলী উপলক্ষে ৯ নৱেম্বৰ, সোমবাৰে কামৰূপ মহানগৰ জিলাত স্থানীয় বন্ধ ঘোষণা কৰিছে অসম চৰকাৰে। সেইদিনা জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠানৰ লগতে বিত্তীয় প্ৰতিষ্ঠানসমূহো বন্ধ থাকিব।

এই সন্দৰ্ভত ৰাজ্যপালৰ নিৰ্দেশমৰ্মে সাধাৰণ প্ৰশাসন বিভাগে ইতিমধ্যে অধিসূচনা জাৰি কৰিছে। অধিসূচনা অনুসৰি, কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত ৰাজ্য চৰকাৰৰ সকলো কাৰ্যালয় আৰু শিক্ষানুষ্ঠান এই বন্ধৰ আওতাত পৰিব।

আনহাতে, ৯ নৱেম্বৰত বিত্তীয় প্ৰতিষ্ঠানসমূহো বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। নেগ'চিয়েবল ইনষ্ট্ৰুমেণ্টছ এক্ট, ১৮৮১ৰ ২৫নং ধাৰাৰ লগতে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ১৯৫৭ চনৰ ৮ জুনত জাৰি কৰা অধিসূচনাৰ আধাৰত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

উল্লেখ্য যে, এইবাৰ ৮ নৱেম্বৰ, দেওবাৰে পোহৰৰ উৎসৱ দীপাৱলী পালন কৰা হ'ব। উৎসৱৰ পৰিপ্ৰেক্ষিতত ইয়াৰ পিছদিনা কামৰূপ মহানগৰ জিলাত স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1131

অসম

বজালিত উৎসৱকালীন জুৱা ৰোধৰ দাবী হিন্দু পৰিষদৰ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৫



বজালি: দীপাৱলী আৰু ৰাস মহোৎসৱ উপলক্ষে বজালি জিলাত জুৱা যাতে নহয়, তাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষীক কঠোৰ ব্যৱস্থা লোৱাৰ আহ্বান জনাইছে হিন্দু পৰিষদে।

শান্তিপূৰ্ণ আৰু সামাজিকভাৱে দায়বদ্ধ উৎসৱমুখৰ পৰিৱেশ বজাই ৰখাৰ স্বাৰ্থতে সংগঠনটোৱে এই আহ্বান জনায়।

উৎসৱৰ সময়ছোৱাত জিলাখনত জুৱা চলাৰ আশংকা প্ৰকাশ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষক সতৰ্ক হৈ থাকি এনে কাৰ্যকলাপ ৰোধ কৰিবলৈ অনুৰোধ জনাইছে সংগঠনটোৱে।

হিন্দু পৰিষদে কয়, জুৱাৰ ফলত আৰ্থিক লোকচান, ঋণৰ বোজা, পাৰিবাৰিক বিবাদকে ধৰি বিভিন্ন সামাজিক সমস্যাৰ সৃষ্টি হ'ব পাৰে। ইয়াৰ কুপ্ৰভাৱে ব্যক্তি, পৰিয়াল আৰু সামগ্ৰিক সমাজ ক্ষতিগ্ৰস্ত হয় বুলিও সংগঠনটোৱে উল্লেখ কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1159

অসম

উজনি অসমৰ লোকৰ 'ৰ' উচ্চাৰণক লৈ আপত্তিজনক মন্তব্য! আমগুৰি আৰক্ষীৰ জালত দুই ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰ

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২১



আমগুৰি, ৮ নৱেম্বৰ, ২০২৬:

সামাজিক মাধ্যমত উজনি অসমৰ বাসিন্দাসকলক লৈ আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত আমগুৰি আৰক্ষীয়ে দুজন যুৱকক আটক কৰিছে। আটকাধীন যুৱক দুজন হৈছে ধিমান ৰায় চৌধুৰী আৰু পিংগল প্ৰত্যুষ সিং। উজনি অসমৰ লোকসকলে 'ৰ' আখৰটো সঠিকভাৱে উচ্চাৰণ কৰিব নোৱাৰে বুলি মন্তব্য কৰি সামাজিক মাধ্যমত ভিডিঅ' প্ৰকাশ কৰাৰ অভিযোগ উঠিছিল দুয়োৰে বিৰুদ্ধে। অসমীয়া যুৱ মঞ্চই দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এই পদক্ষেপ গ্ৰহণ কৰে।


নিজকে সামাজিক মাধ্যমৰ ইনফ্লুৱেঞ্চাৰ বুলি পৰিচয় দিয়া ধিমান ৰায় চৌধুৰী আৰু পিংগল প্ৰত্যুষ সিঙে কিছুদিন...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1174

অসম

চৰাইদেউ মৈদামত বাঘিনীৰ তিনিটাকৈ পোৱালি জন্ম

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, পুৱা ১০:২৪




চৰাইদেউ, ৭ নৱেম্বৰ: বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদামৰ অন্তৰ্গত এক স্থানত শেহতীয়াকৈ এটা বাঘিনীয়ে তিনিটাকৈ পোৱালি জন্ম দিয়াৰ ঘটনাই স্থানীয় ৰাইজৰ মাজত তীব্ৰ কৌতূহলৰ সৃষ্টি কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1125

অসম

ৰজাপথাৰ মাহগুৰিত তিৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৭



হাওৰাঘাট: কার্বি আংলঙৰ ৰজাপথাৰ মাহগুৰি তিৰা গাঁওখনৰ যুৱ সংঘৰ উদ্যোগত এক আকর্ষণীয় তিৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

উক্ত সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন তিৰা নৃত্য প্রতিযোগিতা আৰু শৈক্ষিক প্রতিযোগিতাৰ আয়োজন কৰা হ'ব।

উল্লেখযোগ্য যে, গাঁওখনত পূর্বপুৰুষৰ দিনৰ পৰা চলি অহা তিৰা পৰম্পৰাগত পূজা প্রতি বছৰে কাতি মাহৰ কোনো এটা দেওবাৰে গাঁওবাসীয়ে পালন কৰে।

এই পূজাৰ অংশ হিচাপেই উদ্যোক্তাসকলে তিৰা নৃত্য প্রদর্শনৰ আয়োজন কৰিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/1172

অসম

ৰৰক'লাত ৩৭ লাখ ৫৬ হাজাৰ টকীয়া মহিলা বজাৰৰ আধাৰশিলা স্থাপন

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৩২



বেবেজীয়া, ৮ নৱেম্বৰ: ৰহা বিধানসভা সমষ্টিৰ পাখিমৰীয়া উন্নয়ন খণ্ডৰ অন্তর্গত ৰৰক'লাৰ পালেংতলীত শনিবাৰে এখন মহিলা বজাৰৰ আধাৰশিলা স্থাপন কৰা হয়। ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে বজাৰখনৰ আধাৰশিলা স্থাপন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1145

অসম

ধেমাজিত মিচিং আৰু সোনোৱাল কছাৰী পৰিষদ নির্বাচনৰ মনোনয়ন-পত্র দাখিল

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, পুৱা ১০:৩৫



ধেমাজি: মিচিং স্বায়ত্তশাসিত পৰিষদ আৰু সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ মনোনয়ন-পত্র দাখিলৰ অন্তিম দিনলৈ আৰু তিনিদিন বাকী আছে।

আজি পৰিষদ দুখনৰ নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিব বিচৰা প্রার্থিত্বপ্রত্যাশীসকলে ঢোল-দগৰৰ সৈতে সমর্থকসকলক লগত লৈ চহৰৰ মাজেৰে শোভাযাত্রা উলিয়াই ধেমাজি জিলা সংহত আয়ুক্তৰ কার্যালয়ত মনোনয়ন-পত্র দাখিল কৰে।

মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুঠ ৪০খন আসনৰ ভিতৰত ধেমাজি জিলাত ১৭খন আসন আছে। এই ১৭খন আসনত মুঠ ভোটাৰৰ সংখ্যা ২ লাখ ৪৫ হাজাৰ ২১৯গৰাকী।

ইফালে, সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন হ'বলগীয়া মুঠ ৩২খন আসনৰ ভিতৰত ধেমাজি জিলাত ৫খন আসন আছে। এই ৫খন আসনত মুঠ ভোটাৰৰ সংখ্যা ২২ হাজাৰ ৪২৩গৰাকী।

সম্পূর্ণ খবৰ:
https://newznow.in/news/1127

অসম

মাজুলীত নাবালিকা ছাত্রীক ধর্ষণ: বিদ্যালয়ৰ চকীদাৰক ২০ বছৰৰ সশ্রম কাৰাদণ্ড

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, পুৱা ১০:২০



মাজুলী: বিদ্যালয় চৌহদত অষ্টম শ্রেণীৰ এগৰাকী নাবালিকা ছাত্রীক ধর্ষণ কৰাৰ অপৰাধত বিদ্যালয়ৰ চকীদাৰ মাধৱ মিলিক ২০ বছৰৰ সশ্রম কাৰাদণ্ড বিহিছে মাজুলীৰ বিশেষ পকছ' আদালতে। শুকুৰবাৰে আদালতখনে এই ৰায়দান কৰে।

অভিযোগকাৰী পক্ষৰ মতে, বিদ্যালয়ৰ চকীদাৰ হিচাপে থকা দায়িত্বৰ অপব্যৱহাৰ কৰি মাধৱ মিলিয়ে ছাত্রীগৰাকীক যৌন নির্যাতন চলাইছিল। চিকিৎসা পৰীক্ষা, ফৰেনছিক প্রতিবেদন আৰু নির্যাতিতাৰ লগতে তাইৰ পৰিয়ালৰ সদস্যসকলৰ সাক্ষ্যৰ ভিত্তিত অভিযোগকাৰী পক্ষই গোচৰটো উপস্থাপন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1123

অসম

যুৱ অলিম্পিকত পদক জয় কৰা প্রথম ভাৰতীয় পুৰুষ সাঁতোৰবিদ তীর্থংক পেগু

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, পুৱা ৯:৫৩



ডাকাৰ, ৭ নৱেম্বৰ: অসমৰ যোৰহাট জিলাৰ ৰামকৃষ্ণৰ সাঁতোৰবিদ তীর্থংক পেগুৱে ছেনেগালত অনুষ্ঠিত ডাকাৰ ২০২৬ যুৱ অলিম্পিকত পুৰুষৰ ২০০ মিটাৰ বাটাৰফ্লাই শাখাত ব্রঞ্জৰ পদক জয় কৰিছে। যুৱ অলিম্পিকত পদক জয় কৰা প্রথমগৰাকী ভাৰতীয় পুৰুষ সাঁতোৰবিদ হিচাপে তেওঁ ইতিহাস গঢ়িছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1118

অসম

৩ দিনতে ৩৭৫ কোটিৰ ব্যৱসায় 'ৰামায়ণ'ৰ! শনিবাৰে উপার্জন ১৮২ কোটিৰো অধিক

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২১



নিতেশ তিৱাৰীৰ পৰিচালনাত নির্মিত 'ৰামায়ণ: পার্ট ৱান' ছবিখনে বক্স অফিচত অভিলেখ গঢ়াৰ দিশে আগবাঢ়িছে। মুক্তিৰ প্রথম তিনিদিনতে ছবিখনৰ বিশ্বজুৰি মুঠ উপার্জন ৩৭৫.৫০ কোটি টকা হৈছে। শনিবাৰে ছবিখনে ভাৰতত ৬৯.৮০ কোটি টকাৰ নেট উপার্জন কৰে। এয়া ছবিখনৰ এতিয়ালৈকে সর্বাধিক এদিনৰ ঘৰুৱা উপার্জন।

ছবিখনে প্রথম দিনা ভাৰতত ৬৪.৮৫ কোটি টকাৰ নেট উপার্জন কৰিছিল। দ্বিতীয় দিনা এই পৰিমাণ ৪৮.০৫ কোটি টকালৈ হ্রাস পায়। কিন্তু তৃতীয় দিনা উপার্জন ৪৫.৩ শতাংশ বৃদ্ধি পাই ৬৯.৮০ কোটি টকা হয়। ফলত প্রথম তিনিদিনত ভাৰতত ছবিখনৰ মুঠ নেট উপার্জন ১৮২.৭০ কোটি টকা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1320

ক্রীড়া

অনূর্ধ্ব-১৯ এছিয়া কাপত ভাৰতৰ বিৰুদ্ধে ৩ উইকেটত জয় পাকিস্তানৰ

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৬



ওমান:অনূর্ধ্ব-১৯ এছিয়া কাপ ২০২৬ৰ ভাৰত-পাকিস্তানৰ মেচত ৰোমাঞ্চকৰ জয় সাব্যস্ত কৰিলে পাকিস্তানে। ৬১ ৰানতে ৫টা উইকেট হেৰুৱাই বিপদত পৰা পাকিস্তানক উদ্ধাৰ কৰিলে হামজা জহুৰৰ দুর্দান্ত শতকে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1330

অসম

বিলাসীপাৰাৰ ডুবাচৰিত গছৰ ডাল বাগৰি ট'ট' চালকৰ মৃত্যু

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৭



বিলাসীপাৰা: বিলাসীপাৰা থানাৰ অন্তর্গত ডুবাচৰি দ্বিতীয় খণ্ড গাঁৱত আজি গছৰ ডাল বাগৰি পৰি এজন ট'ট' চালকৰ থিতাতে মৃত্যু হয়। মৃত চালকজন বোৱালকামুৰি প্রথম খণ্ডৰ কহিনূৰ ইছলাম।

জানিব পৰা মতে, আছৰ উদ্দিনৰ পথৰ কাষত গছৰ ডাল কাটি থকাৰ সময়তে কহিনূৰ ইছলামে নিজৰ ট'ট'খন লৈ উক্ত পথটোৰে পাৰ হৈ যাবলৈ চেষ্টা কৰিছিল।

সেই সময়তে কাটি থকা গছৰ ডাল হঠাতে চলন্ত ট'ট'খনৰ ওপৰত বাগৰি পৰে। ডালটোৰ প্রচণ্ড আঘাতত চালকজনৰ থিতাতে মৃত্যু হয়।

ঘটনাৰ পিছতে অঞ্চলটোত তীব্র চাঞ্চল্যৰ সৃষ্টি হয়। পৰিয়ালৰ লোকে বিলাসীপাৰা থানাত এজাহাৰ দাখিল কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1336

আন্তঃৰাষ্ট্রীয়

জাপানত ৫.৭ প্রাবল্যৰ ভূমিকম্প, ২২ৰো অধিক লোক আহত

NewzNow ডেস্ক | ৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৪২



শিজুওকা, ৮ নৱেম্বৰ: মধ্য জাপানত দেওবাৰে পুৱতি নিশা ৫.৭ প্রাবল্যৰ ভূমিকম্প সংঘটিত হৈ ২২ৰো অধিক লোক আহত হৈছে। ভূমিকম্পটোত কেইবাটাও দোকানৰ খিৰিকীৰ কাঁচ ভাঙি যোৱাৰ লগতে বিভিন্ন স্থানত অট্টালিকাৰ ক্ষতি হৈছে।

স্থানীয় সময় অনুসৰি পুৱা ১ বাজি ৪ মিনিটত সংঘটিত ভূমিকম্পটোৰ অভিকেন্দ্র আছিল শিজুওকা প্রিফেকচাৰৰ পশ্চিম অংশ। জাপানৰ বতৰ বিজ্ঞান সংস্থাৰ তথ্য অনুসৰি, ভূমিকম্পটোৰ গভীৰতা আছিল প্রায় ৪১ কিলোমিটাৰ।

আইচি প্রিফেকচাৰৰ চিতা চহৰত সর্বাধিক তীব্র কম্পন অনুভূত হয়। জাপানৰ ভূমিকম্পীয় তীব্রতা মাপকাঠীত তাত ৫ শক্তিশালী স্তৰৰ কম্পন নথিভুক্ত কৰা হয়। শিজুওকা, গিফু, নাগানো আৰু য়ামানাছি প্রিফেকচাৰতো কম্পন অনুভূত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1303

এই সংখ্যাত

১ উজনিত পুনৰ আৰম্ভ কয়লা ছিণ্ডিকেট; খাৰচাঙৰ পৰা আহিছে অবৈধ কয়লা: অখিল
১ ইৰাণৰ বিৰুদ্ধে অভিযান শেষ হোৱা নাইঃ ইজৰাইল
১ সশস্ত্র মাওবাদী নির্মূল হ'লেও 'আর্বান নক্সাল'ৰ ভাবুকি আছে : মোদী
১ নেতান্যাহুক বিদায়! ইজৰাইলত নতুন চৰকাৰ গঠনৰ বাবে গাডি আইজেনকটক আহ্বান ৰাষ্ট্রপতিৰ

আৰু ৬২টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্রতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্রতিটো খবৰৰ সম্পূর্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen